আমাৰ অসম | ১১ ছেপ্টেম্বৰ, ২০২৪ বুধবাৰ, গুৱাহাটী

# দিছপুৰ কলেজত কম্পিউটাৰ শ্ৰেণীকোঠা উদ্বোধন

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা ১০ ছেপ্টেম্বৰ ঃ সোমবাৰে দিছপুৰ মহাবিদ্যালয়ত এইচ. এল পোদ্দাৰ ফাউণ্ডেশ্যনে এটা কম্পিউটাৰ শ্ৰেণীকোঠা উদ্বোধন কৰে। এই শ্ৰেণী কোঠাৰ বাবে ফাউণ্ডেশ্যনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰশিক্ষণৰ বাবে ১২টা কম্পিউটাৰ যোগান ধৰিছে। অনুষ্ঠানত ফাউণ্ডেশ্যনৰ সভাপতি অজয় পোদ্দাৰ আৰু তেওঁৰ পৰিয়ালৰ সদস্য ক্ৰমে শ্যাম সুন্দৰ গাৰোডিয়া, বন্দনা বগড়িয়া, ৰঞ্জনা ভজংকা, দৃষ্টি পোদ্দাৰ, দিব্যাংশ পোদ্দাৰো উপস্থিত থাকে। কাৰ্যসূচীৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ নৱজ্যোতি বৰা, শ্যাম সুন্দৰ গাৰোদিয়া আৰু উপাধ্যক্ষা সুনীতা আগৰৱালে বন্তিপ্ৰজ্জ্বলন কৰাৰ পিছত নামফলক উন্মোচন কৰে। অনুষ্ঠানত বিজেপি প্ৰাগজ্যোতিপুৰ মণ্ডলৰ সম্পাদক নিৰ্মল ফাংচো, সমাজকৰ্মী দেৱদাস সিনহাকে ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। ফাউণ্ডেশ্যনে নাৰেংগীত এইচ এল পোদ্দাৰ পাব্লিক নামৰ এখন বিনামূলীয়া দাতব্য বিদ্যালয় চলোৱাৰ লগতে নাৰেঙ্গী, ফৰেষ্ট গেটত এইচ এল পোদ্দাৰ ফাউণ্ডেশ্যন নামৰ এটা বিনামূলীয়া স্বাস্থ্যসেৱা কেন্দ্ৰ চলাই আছে। এই কেন্দ্ৰত দুখীয়া ৰোগীসকলক বিনামূলীয়া চিকিৎসা আৰু ঔষধ প্ৰদান কৰা হয়। ইয়াৰ উপৰি গুৱাহাটীৰ আন আন বিদ্যালয়-মহাবিদ্যালয়সমূহত নতুন শ্ৰেণীকোঠা নিৰ্মাণ কৰি আহিছে।